অধ্যায় ১২ ঃ মুদ্রা নীতি

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ মুদ্রা নীতিৰ উদ্দেশ্য
১২.৪ মুদ্রা নীতিৰ লক্ষ্য
১২.৫ মুদ্রা নীতিৰ আহিলা
১২.৬ মন্দাৱস্থা আৰু মুদ্রাস্ফীতিত মুদ্রা নীতিৰ প্ৰভাৱ
১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৮ অধিক জানিবৰ বাবে
১২.৯ অগ্ৰগতিৰ খতিয়ান
১২.১০ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পিছত আপুনি —

- কেন্দ্ৰীয় বেংকে গ্ৰহণ কৰা মুদ্রা নীতিৰ ধাৰণাটোৰ বিষয়ে জানিব পাৰিব
- মুদ্রা নীতিৰ বিভিন্ন উদ্দেশ্য বুজি পাব
- মুদ্রা নীতিৰ লক্ষ্যবোৰ ব্যাখ্যা কৰিব পাৰিব
- মুদ্রা নীতিয়ে নিজ লক্ষ্যত উপনীত হ'বলৈ ব্যৱহাৰ কৰা বিভিন্ন আহিলাৰ কথা বহলাই বৰ্ণনা কৰিব পাৰিব
- মন্দাৱস্থা আৰু মুদ্রাস্ফীতিৰ সময়ত মুদ্রানীতিৰ প্ৰভাৱ সম্পৰ্কে জানিব পাৰিব।

১২.২ পৰিচয়

মুদ্রাৰ পৰিমাণ, সুদৰ হাৰৰ স্তৰ আৰু মুদ্রা তথা ঋণ ব্যৱহাৰক প্ৰভাৱিত কৰিবলৈ কোনো এখন দেশৰ কেন্দ্ৰীয় বেংক এটাই গ্ৰহণ কৰা নীতিবোৰকে মুদ্রানীতি বোলে। অৰ্থনৈতিক নীতিৰ মৌলিক উদ্দেশ্যবোৰক বাস্তৱ ৰূপ দিবলৈ মুদ্রা নীতিয়ে বিভিন্ন মুদ্রা ভিত্তিক আহিলা, যেনে- বেংক হাৰ, মুক্ত বজাৰ কাৰ্যকলাপ, তাৰতম্যপূৰ্ণ মজুত ধনৰ প্ৰয়োজনীয়তা (Variable reserve requirements) আৰু গুণগত ঋণ নিয়ন্ত্ৰণ আদিক উদ্দেশ্য প্ৰণোদিতভাৱে পৰিৱৰ্তন কৰে। মুদ্রা নীতিৰ সংজ্ঞা দাঙি ধৰি এ.জে. শ্বাপিৰ' (A. J. Shapiro)এ কৈছে যে, "মুদ্রা নীতিৰ উদ্দেশ্যবোৰ পূৰণ কৰাৰ এক আহিলা ৰূপে মুদ্রা যোগান নিয়ন্ত্ৰণ কৰিবলৈ কেন্দ্ৰীয় বেংকে কৰা অনুশীলন বোৰকেই মুদ্রা নীতি বোলা হয়"। এইচ. জি. জ'নছন (H. G. Johnson)ৰ মতে, মুদ্রানীতি হ'ল

এনে এক "নীতি যিটোক সাধাৰণ অর্থনৈতিক নীতিৰ উদ্দেশ্যবোৰ পূৰণ কৰাৰ বাবে মুদ্রা যোগান নিয়ন্ত্রণ কৰিবলৈ এক আহিলাৰূপে কেন্দ্রীয় বেংকে ব্যৱহাৰ কৰে।" অর্থাৎ, পূর্ব-নির্দ্ধাৰিত উদ্দেশ্যত উপনীত হ'বলৈ চৰকাৰৰ সাধাৰণ অর্থনৈতিক নীতিৰ কার্য ৰূপায়ণৰ বাবে মুদ্রাৰ যোগান নিয়ন্ত্রণ কৰিবলৈ ব্যৱহৃত নীতিবোৰেই হ'ল মুদ্রা নীতি।

এই অধ্যায়ত আমি চমুকৈ মুদ্রা নীতিৰ উদ্দেশ্য, লক্ষ্য আহিলা আৰু প্রভাৱৰ বিষয়ে আলোচনা কৰিম। অধ্যায়টো পঢ়াৰ পাচত আপুনি এখন দেশৰ অর্থনীতিত মুদ্রানীতিৰ গুৰুত্ব বুজি পাব।

১২.৩ মুদ্রা নীতিৰ উদ্দেশ্য

মুদ্রা নীতিৰ বহুতো মৌলিক উদ্দেশ্য থাকে। কিন্তু এটা অর্থনৈতিক ব্যৱস্থাৰ পৰিৱর্তনশীল পৰিস্থিতি তথা প্রয়োজনীয়তা অনুসৰি আটাইবোৰ মৌলিক উদ্দেশ্য সদায় একে হৈ নাথাকিবও পাৰে। কিছুমান উদ্দেশ্যৰ আকৌ আন কিছুমান উদ্দেশ্যৰ সৈতে সংঘাত হয়। তলত মুদ্রানীতিৰ কেইটামান উদ্দেশ্য আলোচনা কৰা হ'ল ঃ

- **মুল্য সুস্থিৰতা (Price Stability) ঃ** মুদ্রানীতিৰ এটা গুৰুত্বপূর্ণ উদ্দেশ্য হ'ল সাধাৰণ মূল্য স্তৰ সুস্থিৰ কৰি ৰখা। মূল্য সুস্থিৰতাই প্রতিটো সামগ্রীৰ মূল্য অপৰিৱর্তনসাধ্য (fixed) কৰি ৰখাটো নুবুজায়। ইয়াৰ অর্থ হ'ল সাধাৰণ মূল্য স্তৰ অথবা গড় মূল্যক এটা নির্দিষ্ট সর্বোচ্চ সীমাতকৈ বেচি নাইবা কম হ'বলৈ নিদিয়া। মূল্য সুস্থিৰ ৰাখিবলৈ গ্রহণ কৰা নীতি একোটাই মুদ্রাৰ মূল্য সুস্থিৰ কৰি ৰাখে, চক্রীয় উঠা-নমা আঁতৰ কৰে, অর্থনৈতিক সুস্থিৰতা বর্তাই ৰখাত সহায় কৰে। ধনী আৰু দুখীয়াৰ মাজৰ ব্যৱধান আঁতৰোৱাত সহায় কৰে, ন্যায় প্রতিষ্ঠাত সহায় কৰে আৰু অর্থনৈতিক কল্যাণ সাধন কৰে। চমুকৈ, মূল্য সুস্থিৰতাই অর্থনীতিক সুচাৰুৰূপে কাম-কাজ আগবঢ়াই নিয়াত সহায় কৰে আৰু সুস্থিৰ অর্থনৈতিক বিকাশৰ অনুকূল পৰিৱেশ গঢ়ি তোলে।

  মুদ্রা নীতিৰ এক উদ্দেশ্য হিচাপে মূল্য সুস্থিৰতাৰ বিষয়টোক লৈ যথেষ্ট সমালোচনা উত্থাপিত হৈছে। এচামে যুক্তি দর্শাইছে যে মূল্য সুস্থিৰতা এক অস্পষ্ট ধাৰণা। কাৰণ, মূল্য সুস্থিৰ কৰিবলগীয়া স্তৰ আৰু কি মূল্য সুস্থিৰ কৰি ৰখা হ'ব তাক লৈ বিতর্ক চলাৰ অৱকাশ আছে। আকৌ, এচামে ভাৱে যে এক গতিশীল অর্থনীতিত এক সফল মূল্য ব্যৱস্থা বর্তাই ৰখাৰ বাবে মূল্যৰ মাজত পার্থক্য থকাটো প্রয়োজনীয়। তেতিয়াহে সম্পদ /সমলৰ উপযুক্ত আবণ্টন, উৎপাদনমুখী কার্যকলাপ বৃদ্ধি আৰু অর্থনৈতিক বিকাশ সম্ভৱ হ'ব। আন একাংশৰ মতে মূল্য সুস্থিৰতা মুদ্রা নীতিৰ এক ফলপ্রসূ উদ্দেশ্য নহয়। কেন্দ্রীয় বেংকে কোনো এক অর্থনীতিত ঋণৰ পৰিমাণ ফলপ্রসূভাৱে নিয়ন্ত্রণ কৰিব

নোৱাৰে। কাৰণ, একোটা অৰ্থনীতিত বৃহৎ সংখ্যক অনা-বেংক মধ্যৱৰ্তী বিত্তীয় অভিকৰ্ষণ(Non-Bank Financial Intermediaries) থাকে যিবোৰৰ কাম-কাজ কেন্দ্ৰীয় বেংকৰ নিয়ন্ত্ৰণৰ বাহিৰত।

- **বিনিময় সুস্থিৰতা (Exchange Stability) ঃ** মুদ্রা নীতিৰ আন এক উদ্দেশ্য হ'ল বিনিময় সুস্থিৰতা। সোণৰ স্বীকৃত মান (gold standard)ৰ অধীনত বিনিময় দৰৰ সুস্থিৰতাক মুদ্রা নীতিৰ পৰম্পৰাগত উদ্দেশ্য বুলি ধৰা হয়। আন্তঃৰাষ্ট্ৰীয় বাণিজ্য সুচাৰুৰূপে চলাই নিয়াৰ বাবে বিনিময় দৰৰ সুস্থিৰতা বৰ্তাই ৰখাতো অতি জৰুৰী। বিনিময় দৰত হোৱা সঘন পৰিৱৰ্তনে দেশ এখনৰ মুদ্রাৰ মূল্য অস্থিৰ কৰি তুলিব পাৰে, বিনিময় বজাৰত সন্দেহৰ সৃষ্টি কৰিব পাৰে, আভ্যন্তৰীণ মূল্য স্তৰৰ উত্থান-পতন ঘটাব পাৰে আৰু বিভিন্ন দেশৰ অৰ্থনৈতিক তথা ৰাজনৈতিক নেতৃত্বৰ মাজত বিৰূপ প্ৰভাৱ পেলাব পাৰে। এখন দেশৰ পৰিশোধ ভাৰসাম্য (payment equilibrium)ৰ সমতা নিশ্চিতকাৰী মুদ্রা নীতিয়ে বিনিময় দৰৰ সুস্থিৰতা বৰ্তাই ৰাখিব পাৰে।

  কিন্তু সমালোচকে আঙুলিয়াই দেখুৱাইছে যে সুস্থিৰ বিনিময় দৰ বৰ্তি থকা পৰিস্থিতি এটাত কিছুমান দেশত চলি থকা মুদ্রাস্ফীতিমুখী আৰু মন্দা�ৱস্থামুখী পৰিস্থিতিয়ে অন্য দেশবোৰৰ যথেষ্ট ক্ষতি কৰিব পাৰে। আধুনিক যুগৰ আন্তঃৰাষ্ট্ৰীয় মুদ্রা নিধি (IMF) এ বিনিময় দৰ সুস্থিৰতা বৰ্তাই ৰখাৰ সমস্যাটো আঁতৰোৱাৰ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰাৰ ফলত এখন দেশৰ মুদ্রা নীতিৰ এই উদ্দেশ্যটোৱে পূৰ্বৰ শক্তিশালী ৰূপ হেৰুৱাই পেলাইছে।

- **মুদ্রাৰ নিৰপেক্ষতা (Neutrality of Money) ঃ** মুদ্রানীতিৰ আন এক মৌলিক উদ্দেশ্য হ'ল মুদ্রাৰ নিৰপেক্ষতা অক্ষুণ্ণ ৰখা। ৰ'বাৰ্টচন্ (Robertson), ৱিকষ্টীড (Wicksteed) আৰু হায়েক (Hayek) আদিৰ দৰে বহুতো অৰ্থনীতিবিদৰ মতে মুদ্রাৰ নিৰপেক্ষতাই হ'ল মুদ্রা নীতিৰ প্ৰধান উদ্দেশ্য। মুদ্রাৰ নিৰপেক্ষতা মানে হ'ল মুদ্রা যোগানত হোৱা যিকোনো ধৰণৰ পৰিৱৰ্তনে উৎপাদনৰ সৰ্বমুঠ পৰিমাণ আৰু অৰ্থনীতিত সামগ্ৰী তথা সেৱাৰ সৰ্বমুঠ লেনদেনৰ পৰিমাণত বিৰূপ প্ৰভাৱ নেপেলোৱা এক অৱস্থা। মুদ্রা নীতিৰ এই বৈশিষ্ট্যটোৱে ইয়াকে সূচায় যে এটা অৰ্থনীতিৰ বিভিন্ন ধৰণৰ কাৰ্যকলাপক প্ৰভাৱিত নকৰাকৈ মুদ্রাই এক নিৰপেক্ষ অৱস্থা গ্ৰহণ কৰিব পৰাকৈ মুদ্রা যোগান নিয়ন্ত্ৰণ কৰা উচিত।

  মুদ্রাৰ নিৰপেক্ষতাক সমৰ্থন কৰোঁতাসকলে বিশ্বাস কৰে যে মুদ্রা যোগানত ঘটা পৰিৱৰ্তনেই হ'ল সকলো প্ৰকাৰৰ অৰ্থনৈতিক উত্থান-পতন আৰু অসুবিধাৰ মূল কাৰণ। নিৰপেক্ষ মুদ্রা নীতিয়ে বিশ্বাস কৰে যে যদি মুদ্রাক নিৰপেক্ষ ৰাখি মুদ্রা যোগানৰ ধাৰাবাহিকতা অৰ্থনীতিৰ প্ৰয়োজন অনুসৰি সুস্থিৰ কৰি ৰাখিব পৰা যায়, তেন্তে অৰ্থনীতিত কোনো ধৰণৰ ব্যাঘাত জন্মিব নাইবা উত্থান-পতন ঘটিব নোৱাৰে।

কিন্তু সমালোচকসকলৰ নিৰীক্ষণ মতে ব্যৱহাৰিক ক্ষেত্ৰত মুদ্রা নিৰপেক্ষ নহয়। কোনো এক অৰ্থনীতিৰ বিত্তীয় ৰূপান্তৰ প্ৰক্ৰিয়াটোত মুদ্রাই এক সক্ৰিয় তথা গতিশীল ভূমিকা পালন কৰে। ইয়াৰ উপৰি মুদ্রাৰ নিৰপেক্ষতা বোলা ধাৰণাটো অস্পষ্ট। এফালে ই চৰকাৰৰ অনাহস্তক্ষেপ নীতি (laissez faire)ৰ ওপৰত আধাৰিত আৰু আনফালে মুদ্রা নিৰপেক্ষতা বৰ্তাই ৰাখিবলৈ ইয়াক বিত্তীয় কৰ্তৃপক্ষৰ হস্তক্ষেপৰ প্ৰয়োজন।

- **সম্পূৰ্ণ নিয়োগ (Full Employment) ঃ** মুদ্রা নীতিৰ আন এক গুৰুত্বপূৰ্ণ উদ্দেশ্য হ'ল মানৱ তথা আন সকলোবোৰ সম্পদৰ সম্পূৰ্ণ নিয়োগ। জে. এম. কেইন্স (J. M. Keynes)এ কোনো এক অৰ্থনীতিৰ প্ৰাকৃতিক তথা মানৱ সম্পদৰ সম্পূৰ্ণ নিয়োগৰ পোষকতা কৰাত মুদ্রানীতিৰ ভূমিকাক গুৰুত্ব সহকাৰে আলোচনা কৰি দেখুৱাইছিল। তেওঁৰ মতে কোনো এক অৰ্থনীতিৰ মানৱ তথা অন্য প্ৰাকৃতিক সম্পদৰ সম্পূৰ্ণ নিয়োগ লক্ষ্যত উপনীত হোৱাত অৱমূল্যনকৃত মুদ্রা নীতি (Cheap money policy) য়ে সহায় কৰিব পাৰে।

  'সম্পূৰ্ণ নিয়োগ' বোলা অভিধাৰণাটোৰে 'কৰ্মসংস্থাপনহীন অৱস্থাটোৰ সম্পূৰ্ণ অনুপস্থিতি'ৰ কথা বুজোৱা নহয়। সম্পূৰ্ণ নিয়োগ'ৰ ধাৰণাটোৰ সৈতে কিছু পৰিমাণৰ ঋতুজ (seasonal) আৰু সংঘৰ্ষজাত (frictional) কৰ্মসংস্থাপনহীনতা মিহলি হৈ থাকে বুলি ধৰা হয়। সম্পূৰ্ণ নিয়োগৰ উদ্দেশ্যত উপনীত হ'বলৈ হ্ৰাস কৰা সূতৰ হাৰৰ সৈতে মুদ্রা যোগান সম্প্ৰসাৰিত কৰিব পৰাকৈ মুদ্রা নীতিৰ আৰ্হি প্ৰস্তুত কৰিব লাগিব। ই বিনিয়োগ চাহিদা বৃদ্ধি কৰি এই চাহিদাক সম্পূৰ্ণ নিয়োগ সঞ্চয়ৰ সমান কৰিব। যি মুদ্রা নীতিয়ে বিনিয়োগৰ স্তৰ বৃদ্ধিৰ প্ৰয়াস কৰে আৰু ঋণৰ ব্যয় হ্ৰাস কৰি সম্পূৰ্ণ নিয়োগৰ লক্ষ্যত অৱশেষত উপনীত হয়গৈ তেনে নীতিকে সাধাৰণতে অৱমূল্যনকৃত মুদ্রা নীতি বুলি কোৱা হয়। প্ৰকৃতাৰ্থত সম্পূৰ্ণ নিয়োগ নীতিয়ে সৰ্বোচ্চ অৰ্থনৈতিক কল্যাণৰ লক্ষ্যত উপনীত হোৱাত উপযোগী সহায়কৰ ভূমিকা পালন কৰে। কাৰণ, ই কৰ্মসংস্থাপনহীনতা তথা অৰ্থনৈতিক সম্পদৰ প্ৰয়োজনতকৈ কম প্ৰয়োগৰ সমস্যা সমাধানৰ চেষ্টা কৰে। লগতে ই অৰ্থনীতিত সঞ্চিত বিনিয়োগ সমতা বৰ্তাই ৰাখি মুদ্রাস্ফীতি আৰু মন্দাৱস্থাৰ দৰে চৰম পৰিস্থিতি সৃষ্টি হোৱাৰ সম্ভাৱনাও হ্ৰাস কৰে।

- **অৰ্থনৈতিক বিকাশ (Economic Growth) ঃ** বৰ্তমান অৰ্থনৈতিক বিকাশক মুদ্রা নীতিৰ, বিশেষকৈ অনুন্নত দেশবোৰৰ মুদ্রানীতিৰ প্ৰধান উদ্দেশ্য বুলি গণ্য কৰা হয়। 'অৰ্থনৈতিক বিকাশ' বুলিলে এখন দেশৰ এক দীৰ্ঘ সময়ত হোৱা প্ৰকৃত ৰাষ্ট্ৰীয় আয় (real national income) বৃদ্ধিৰ কথা বুজোৱা হয়। বিশ্বৰ অধিকাংশ দেশতেই, বিশেষকৈ অনুন্নত দেশবোৰত বিপুল পৰিমাণে অব্যৱহৃত অথবা প্ৰয়োজনতকৈ কম ব্যৱহৃত ভৌতিক আৰু মানৱ সম্পদ আছে। ইয়াৰ প্ৰধান কাৰণ হ'ল প্ৰয়োজনীয় অৰ্থৰ নাটনি। এনে অৱস্থাত সম্প্ৰসাৰণশীল মুদ্রানীতিয়ে এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। ই অব্যৱহৃত সম্পদৰ উপযুক্ত ব্যৱহাৰৰ বাবে প্ৰয়োজনীয় আৰ্থিক সা-সুবিধা


আগবঢ়াব পাৰে। এনেকৈয়ে এক সম্প্রসাৰণশীল মুদ্রা নীতিয়ে অর্থনৈতিক বিকাশৰ প্রক্রিয়াটো সমৃদ্ধ তথা তৰান্বিত কৰি তোলে।

অর্থনৈতিক বিকাশৰ এক প্রতিভূ হিচাপে মুদ্রানীতিৰ উপযুক্ত কার্যসম্পাদনৰ বাবে দুটা চর্ত পূৰণ হ'ব লাগে। চর্ত দুটা হ'ল-

- মুদ্রা নীতিৰ প্রকৃতি নমনীয় হোৱা উচিত। তেতিয়াহে মুদ্রাৰ মুঠ চাহিদা (aggregate demand for money) আৰু সামগ্রী তথা সেৱাৰ মুঠ চাহিদা (aggregate demand of goods and services) ৰ মাজৰ ভাৰসাম্য বর্তাই ৰাখিব পৰা যাব।
- অর্থনীতিত সঞ্চয় তথা বিনিয়োগৰ পোষকতা কৰাত মুদ্রা নীতি সহায়ক হ'ব লাগিব।

- **লেনদেনৰ সন্তুলন বা ভাৰসাম্যতা (Balance of Payments equilibrium) ঃ** মুদ্রানীতিৰ আন এক উদ্দেশ্য হ'ল লেনদেনৰ সন্তুলন বা ভাৰসাম্যত উপনীত হোৱা। এটা সঠিকভাৱে প্রস্তুত কৰা মুদ্রা নীতিয়ে সুস্থিৰ বিনিময় দৰত কোনো ব্যাঘাত নজন্মোৱাকৈ লেনদেনৰ ভাৰসাম্যতা স্থাপন কৰাত অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। যদি কোনো এখন দেশ লেনদেনৰ সন্তুলন ঘাটিৰে চলি থাকে তেন্তে ই নিয়ন্ত্রণমূলক মুদ্রা নীতি (restrictive monetary policy) গ্রহণ কৰিব পাৰে। নিয়ন্ত্রণমূলক মুদ্রা নীতিয়ে মুদ্রা আৰু ঋণৰ পৰিমাণ হ্রাস কৰি দেশখনৰ চাৰিসীমাৰ ভিতৰত মূল্য স্তৰ হ্রাস কৰিব পাৰে। মূল্য হ্রাসৰ ধাৰাটোৱে ৰপ্তানিক উৎসাহিত আৰু আমদানিক নিৰুৎসাহিত কৰিব। দেশৰ লেনদেনৰ সন্তুলনৰ সমতাত দেখা দিয়া ভাৰসাম্যতাহীনতাৰ অৱস্থাটোৰ শুধৰণি কৰাত ৰপ্তানি বৃদ্ধি আৰু আমদানি হ্রাস পোৱা কথাটোৱে যথেষ্ট সহায় কৰিব পাৰে।

কিছুমান সমালোচকৰ মতে মুদ্রা নীতিৰ আমদানিকেন্দ্রিক কার্যকলাপ আৰু বিদেশী ৰপ্তানী চাহিদাক প্রভাৱিত কৰিব পৰা ক্ষমতা নিচেই সীমিত। কাৰণ এই উদ্দেশ্যত ব্যৱহৃত বিত্তীয় চলক (monetary variables) বোৰ হ'ল এছোৱা অস্থায়ী কাল (temporary period) ৰ মূর্ত বাণিজ্য (visible trade)ৰ সমতা উন্নত কৰাৰ বাবে সৃষ্ট সময়োপযোগী আর্হিহে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ মুদ্রা নীতি বুলিলে কি বুজে? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন ২ ঃ মুদ্রা নীতিৰ প্রধান উদ্দেশ্যবোৰ কি? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ৩ ঃ মুদ্রা নীতিৰ এক উদ্দেশ্য হিচাপে অর্থনৈতিক বিকাশৰ বিষয়ে ব্যাখ্যা কৰক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

১২.৪ মুদ্রা নীতিৰ লক্ষ্য

মুদ্রা নীতিৰ উদ্দেশ্যবোৰ ফলৱতী কৰিবলৈ বিত্তীয় কর্তৃপক্ষই কিছুমান নির্দিষ্ট লক্ষ্য বান্ধি ল'ব লাগে। অনিশ্চয়তাই কেতিয়াও কেন্দ্রীয় বেংকবোৰক উদ্দেশ্যত উপনীত হোৱাৰ বাবে বান্ধি লোৱা সাম্প্রতিক নীতিবোৰৰ প্রভাৱৰ শুদ্ধ পূর্বানুমানত সহায় নকৰে। অৱশ্যে মুদ্রা নীতি আৰু ইয়াৰ আহিলাবোৰে উদ্দেশ্যসমূহৰ ওপৰত পেলোৱা প্রভাৱ অতি সোনকালে আমাৰ চকুত নপৰে তথা ই পোনপটীয়া প্রকৃতিৰ নহয়। ইয়াৰ উপৰি এনে বহু নীতিগত তথা অনা-নীতিগত (non-policy) কাৰক আছে যিবোৰে মুদ্রা নীতি এটাৰ লক্ষ্য চলকক প্রভাৱিত কৰিব পাৰে। এনে কাৰকবোৰৰ বাবে মুদ্রা নীতিৰ প্রকৃত প্রভাৱবোৰ সহজে পৃথক আৰু চিনাক্ত কৰিব পৰা নাযায়। মুদ্রা নীতিৰ ফলপ্রসূতা বহু পৰিমাণে ব্যয় কার্য আৰু মুঠ চাহিদাৰ ওপৰত পেলোৱা প্রভাৱৰ ওপৰত নির্ভৰশীল। কথাটো বিশ্লেষণ কৰাটো এক জটিল প্রক্রিয়া। বহুতো সময়ত ব্যয়ৰ ক্ষেত্রত মুদ্রা নীতিয়ে লোৱা সিদ্ধান্তবোৰ সন্দেহজনক আৰু পূর্বানুমান কৰিব নোৱাৰা ধৰণৰ হৈ পৰে। এই সমস্যাবোৰৰ বাবে নীতি প্রস্তুতকাৰীয়ে লক্ষ্য চলকৰ স্থানত অন্য কিছুমান বদলি চলক (Proxy variables) ব্যৱহাৰ কৰে। মুদ্রা নীতিৰ লক্ষ্যবোৰৰ তলত দিয়া ধৰণে শ্রেণীবিভাজন কৰিব পাৰি ঃ

- **মধ্যৱর্তী লক্ষ্য (Intermediate targets) ঃ** মুদ্রা নীতিৰ আহিলা আৰু উপনীত হ'ব খোজা লক্ষ্যবোৰৰ মাজত মধ্যৱর্তী লক্ষ্য চলকবোৰ থাকে। মধ্যৱর্তী লক্ষ্যৰ মাধ্যমটোৰে বিত্তীয় কর্তৃপক্ষ এটাই মুদ্রা নীতিৰ চূড়ান্ত লক্ষ্যবোৰ ফলৱতী কৰাৰ চেষ্টা চলায়। মধ্যৱর্তী লক্ষ্যবোৰৰ প্রকৃতি সাধাৰণতে হ্রস্ব ম্যাদী (short term) অথবা মধ্যম ম্যাদী (Medium term)। সেয়েহে এনে লক্ষ্যৰ ফলাফলবোৰ কম সময়ৰ ভিতৰতে নিৰীক্ষণ কৰিব পৰা যায়। ই বিত্তীয় কর্তৃপক্ষ এটাক চূড়ান্ত লক্ষ্যত উপনীত হ'বলৈ প্রস্তুত কৰা নীতি এটা শুদ্ধ হয়নে নহয় সেই সিদ্ধান্ত গ্রহণত সহায় কৰে।

- **কার্য সম্পাদন লক্ষ্য (Operating targets) ঃ** কেতিয়াবা বিত্তীয় কর্তৃত্ব এটাই সহজলভ্য আহিলা বোৰৰৰ জৰিয়তে মধ্যৱর্তী লক্ষ্যসমূহক প্রভাৱিত কৰাত ব্যর্থ হয়। এনে পৰিস্থিতিত বিত্তীয় কর্তৃত্ববোৰে আন কিছুমান লক্ষ্য বাছনি কৰে। এই লক্ষ্যবোৰক কার্য সম্পাদন লক্ষ্য বোলা হয়। বিত্তীয় আধাৰ (monetary base) অথবা সূতৰ হাৰ (interest rate) হ'ল এনে লক্ষ্যৰ উদাহৰণ। সামগ্রিক ভাৱে মুদ্রা নীতিৰ সবাতোকৈ গুৰুত্বপূর্ণ লক্ষ্য চলক তিনিটা হ'ল মুদ্রা যোগান, বেংক ঋণ আৰু সূতৰ হাৰ।

এটা ভাল লক্ষ্যৰ চর্তসমূহ ঃ মুদ্রা নীতিৰ এটা ভাল লক্ষ্যই তলত দিয়া মৌলিক চর্তবোৰ পূৰণ কৰিব লাগে ঃ

- এটা মুদ্রা নীতিৰ লক্ষ্য চলক আৰু চূড়ান্ত লক্ষ্য চলকবোৰৰ মাজত ঘনিষ্ঠ সম্পর্ক থাকিব লাগে। এনে সম্পর্ক সহজে বুজি পোৱা আৰু নির্ভৰযোগ্যভাৱে অনুমান কৰিব পৰা ধৰণৰ হ'ব লাগে।
- লক্ষ্য চলকবোৰ সহজে সম্পাদনসাধ্য হ'ব লাগে। লক্ষ্য চলকবোৰ নীতি চলকে সহজে প্রভাৱিত কৰিব লাগে। এনে চলকৰ ওপৰত অনা-নীতি চলকবোৰৰ প্রভাৱ নগণ্য হোৱা উচিত।
- নির্ভুল আৰু ভাৰসাযোগ্য তথ্য সহজলভ্য হোৱা উচিত যাতে লক্ষ্য চলকবোৰৰ সহজে পৰিমাপ কৰিব পৰা যায় আৰু পৰিমাণ প্রক্রিয়াৰ কোনো সময় ব্যৱধান নাথাকে।
- মুদ্রা যোগান, বেংক ঋণ আৰু সূতৰ হাৰ - এই তিনিওটা লক্ষ্য চলকে ওপৰত উল্লেখ কৰা পৰিমাপণসাধ্যতাৰ চর্তটো সমানে ভালধৰণে পূৰণ কৰে। সম্পাদনসাধ্যতাৰ চর্ত পূৰণৰ ক্ষেত্রত সূতৰ লক্ষ্য চলকৰ হাৰে সিমান সন্তোষজনক ফলাফল প্রদর্শন কৰিব নোৱাৰে। ইয়াৰ উপৰি সূতৰ হাৰক অনা-নীতি কাৰকে অধিক প্রভাৱিত কৰে। চূড়ান্ত লক্ষ্য চলক তথা লক্ষ্য চলকৰ মাজৰ ঘনিষ্ঠ সম্পর্কৰ বিষয়টোক লৈ অর্থনীতিবিদসকলে ভিন্নমত পোষণ কৰি আহিছে। সম্পাদনসাধ্যতা আৰু পৰিমাপনসাধ্যতাৰ আধাৰত মুদ্রা যোগান আৰু বেংক ঋণক সূতৰ হাৰ চলকটোতকৈ শ্রেয় বুলি ধৰা হয়। আকৌ, মুদ্রা যোগান আৰু বেংক ঋণ চলক দুটাৰ ভিতৰত মুদ্রা যোগানক তলত দিয়া কাৰণকেইটাৰ বাবে উন্নততৰ মুদ্রা নীতি লক্ষ্য বুলি ধৰা হয়। কাৰণকেইটা হ'ল-
    - অন্য লক্ষ্য চলকবোৰতকৈ মুদ্রা যোগন চলকত নীতি চলকবোৰে অধিক প্রভাৱ পেলাব পাৰে।
    - পৰীক্ষাৰ অন্তত গম পোৱা গৈছে যে কোনো এক অর্থনীতিৰ অর্থনৈতিক কার্যকলাপৰ স্তৰৰ সৈতে মুদ্রা যোগানৰ এক সুস্থিৰ সম্পর্ক আছে।
    - বেংক ঋণ আৰু উচ্চতৰ মুদ্রা নীতি লক্ষ্য চলকবোৰৰ মাজত থকা ঘনিষ্ঠ কার্যকাৰণ সম্পর্কক সমর্থন জনাব পৰাকৈ পৰীক্ষালব্ধ



ফলাফলবোৰ সবল নহয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ মুদ্রা নীতিৰ লক্ষ্য মানে কি বুজায়? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ৫ ঃ মুদ্রা নীতিৰ ভাল লক্ষ্যই কি কি চর্ত পূৰণ কৰিব লাগে? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন ৬ ঃ মুদ্রানীতিৰ লক্ষ্যবোৰক কেনেদৰে শ্রেণীবিভাজন কৰা হয়? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

১২.৫ মুদ্রা নীতিৰ আহিলা

মুদ্রা নীতিৰ চাৰি বিধ প্রধান আহিলা আছে। এই আহিলা কেইবিধেৰে কেন্দ্রীয় বেংকে পূর্ব-নির্ধাৰিত উদ্দেশ্যসমূহ সফল কৰাৰ চেষ্টা চলায়। আহিলা কেইবিধ হ'ল- বেংক দৰ (bank rate), মুক্ত বজাৰ অভিযান (open market operation), তাৰতম্যপূর্ণ মজুত ধনৰ অনুপাত (variable reserve ratio) আৰু নির্বাচিত ঋণ নিয়ন্ত্রণ (selective credit control)। কোনো এখন দেশৰ কেন্দ্রীয় বেংকটোৱে সাধাৰণতে এই আহিলা কেইবিধৰ সহায়ত মুদ্রাৰ যোগান আৰু ঋণ নিয়ন্ত্রণৰ চেষ্টা কৰে।

- **বেংক দৰ (Bank Rate) ঃ** বেংক দৰ হ'ল কেন্দ্রীয় বেংকৰ সূতৰ ন্যূনতম ঋণ দৰ। এই দৰত কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকবোৰৰ হাতত থকা প্রথম শ্রেণীৰ বিনিময় বিল (first class bills) আৰু চৰকাৰী প্রতিভূতি (government securities) বোৰৰ পুনৰ-বেহাই (rediscount) ঘোষণা কৰে। বেংক দৰৰ জৰিয়তে কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকলৈ আগবঢ়োৱা ঋণৰ ব্যয় তথা সহজলভ্যতা নিয়ন্ত্রণ কৰে। যেতিয়া কোনো এক অর্থনীতিত মুদ্রাস্ফীতিজনিত চাপৰ সৃষ্টি হয় তেতিয়া কেন্দ্রীয় বেংকে

বেংক দৰ বৃদ্ধি কৰে। ইয়াৰ ফলত অর্থনীতিত ঋণ আৰু মূল্য সংকোচন ঘটে। একেদৰে, যেতিয়া দ্রব্যমূল্য অৱনমিত হয় কেন্দ্রীয় বেংকে বেংক দৰ হ্রাস কৰে। ই ঋণ গ্রহণত সহায় কৰাৰ লগে লগে উপার্জন, কর্মসংস্থাপন; অর্থনীতিত সৃষ্টি হোৱা চাহিদা আদি সম্প্রসাৰিত কৰে। ইয়াৰ ফলত মন্দাৱস্থাৰ মাজেৰে গৈ থকা অর্থনীতি এটা পুনৰ ঠন ধৰি উঠে।

- **মুক্ত বজাৰ অভিযান (Open Market Operations) ঃ** মুক্ত বজাৰ অভিযান মানে হ'ল কেন্দ্রীয় বেংকে মুক্ত বজাৰৰ পৰা চৰকাৰী প্রতিভূতি কিনা আৰু পুনৰ তেনে বজাৰতে বিক্রী কৰা প্রক্রিয়া। মুদ্রা নীতিৰ ই হ'ল সবাতোকৈ জনপ্রিয় আহিলা। মুদ্রাস্ফীতিৰ সময়ত কেন্দ্রীয় বেংকে প্রতিভূতি বিক্রী কৰে। ইয়াৰ ফলত বাণিজ্যিক বেংকবোৰৰ সংৰক্ষণ তথা ঋণ দিয়াৰ ক্ষমতা হ্রাস পায়। ই বিনিয়োগৰ পৰিমাণ কম কৰাতো সহায় আগবঢ়ায়। ইয়াৰ ফলত বস্তুৰ মূল্য বৃদ্ধি নিয়ন্ত্রণ কৰিব পৰা যায়। মন্দাৱস্থাত কেন্দ্রীয় বেংকে মুক্ত বজাৰৰ পৰা প্রতিভূতি কিনে। ফলত বাণিজ্যিক বেংকবোৰে ঋণৰ সহজলভ্যতা, বিনিয়োগ, আয়, চাহিদাৰ সৃষ্টি কৰিব পৰা সংৰক্ষিত সুবিধাবোৰ বৃদ্ধি কৰে। লগতে ই দেশৰ অর্থনীতিৰ পৰা মন্দাৱস্থাৰ চাপ নাইকিয়া কৰে।
- **তাৰতম্যপূর্ণ মজুত ধনৰ অনুপাত (Variable Reserve Ratio) ঃ** প্রতিটো বেংকেই সংৰক্ষিত পুঁজি (reserve fund) ৰ ৰূপত নিজৰ হাতত থকা সর্বমুঠ জমাধন (deposit)ৰ এক নির্দিষ্ট শতাংশ কেন্দ্রীয় বেংকত জমা ৰাখিব লাগে। বাণিজ্যিক বেংকবোৰৰ এই সংৰক্ষিত পুঁজিৰ পৰিমাণ অর্থনীতিত হোৱা মূল্যস্তৰৰ পৰিৱর্তন অনুসৰি ভিন ভিন হয়। যেতিয়া মূল্য উর্দ্ধগামী হয় তেতিয়া কেন্দ্রীয় বেংকে মজুত ধনৰ অনুপাত বৃদ্ধি কৰে যাতে বাণিজ্যিক বেংকবোৰৰ ঋণদান ক্ষমতা হ্রাস পায়। এই নিয়মটোৱে বিনিয়োগৰ পৰিমাণ, লাভালাভ, কর্মসংস্থাপন, আয় হ্রাস কৰে আৰু ইয়াৰ ফলত অৱশেষত দ্রব্য তথা সেৱাবোৰৰ মূল্যও কমি যায়। ইয়াৰ বিপৰীতে মূল্যৰ অৱনমন ঘটাৰ সময়ত মুজুত ধনৰ অনুপাতো হ্রাস কৰা হয়। ইয়াৰ ফলস্বৰূপে বাণিজ্যিক বেংকবোৰৰ ঋণদান ক্ষমতা তথা অন্য অর্থনৈতিক কার্যকলাপৰ সাধাৰণ স্তৰ উর্দ্ধমুখী হয় আৰু দ্রব্যমূল্যও বাঢ়িবলৈ ধৰে (বিষয়টো অধ্যায় ৭ ত ইতিমধ্যে আলোচনা কৰা হৈছে)।
- **নির্বাচিত ঋণ নিয়ন্ত্রণ (Selective Credit Control) ঃ** ওপৰত উল্লেখ কৰা মুদ্রা নীতিৰ আহিলা তিনিবিধে কেৱল অর্থনীতিৰ মুদ্রা তথা ঋণৰ মুঠ পৰিমাণ নিয়ন্ত্রণ কৰিবলৈহে সক্ষম। নির্বাচিত ঋণ নিয়ন্ত্রণ হ'ল বিশেষ ধৰণৰ মুদ্রা নীতি আহিলা। কেন্দ্রীয় বেংকে প্রধানতঃ অনাকাংক্ষিত ঋণ নিয়ন্ত্রণ তথা অর্থনীতিৰ উপযুক্ত ক্ষেত্রবোৰলৈ ঋণৰ প্রত্যক্ষ প্রবাহ সুনিশ্চিত কৰিবলৈ এই আহিলাবিধ প্রয়োগ কৰে। নির্বাচিত ঋণ নিয়ন্ত্রণ ব্যৱস্থাৰ প্রধান প্রকাৰকেইটা তলত আলোচনা কৰা হ'ল-
  - **প্রান্তীয় প্রয়োজনীয়তা (Marginal Requirements) ঃ** কোনো এক অর্থনীতিত চলি থকা মুদ্রাস্ফীতি কালছোৱাত কল্পনাপ্রসূত কাম-কাজ (specu-

lative activities) আৰু বিজ্ঞাপনমুখী কাম-কাজ (hoarding) নিয়ন্ত্রণ কৰিবলৈ মুখ্যতঃ প্রান্তীয় প্রয়োজনীয়তা প্রয়োগ কৰা হয়। যেতিয়া যিকোনো প্রতিভূতি (Securities)ৰ বিপৰীতে ঋণ আগবঢ়োৱা হয়, এনে প্রতিভূতিৰ বজাৰ মূল্য তথা ইয়াৰ সর্বোচ্চ ঋণ মূল্যৰ মাজৰ পার্থক্যকে প্রান্তীয় প্রয়োজনীয়তা বোলা হয়। অর্থাৎ, যদি কোনো এক প্রতিভূতিৰ প্রান্তীয় প্রয়োজনীয়তা ২০ শতাংশ আৰু ইয়াৰ বজাৰ মূল্য ১০০ টকা, তেন্তে এই প্রতিভূতিৰ বিপৰীতে আগবঢ়াব পৰা সর্বোচ্চ সম্ভাব্য ঋণ হ'ল ৮০ টকা। যেতিয়া কোনো এক অর্থনীতিত বিভিন্ন পণ্যদ্রব্য আৰু সেৱাৰ মূল্য বাঢ়িবলৈ ধৰে তেতিয়া কেন্দ্রীয় বেংকেও প্রান্তীয় প্রয়োজনীয়তাৰ সীমা বঢ়াই দিয়ে। বিশেষকৈ বিভিন্ন কল্পনাপ্রসূত কাম-কাজৰ বাবে প্রয়োজন হোৱা ঋণৰ ক্ষেত্রত এই বৃদ্ধি প্রযোজ্য হয়। এই দৰে ঋণ লওতাসকলে নির্দিষ্ট প্রতিভূতিৰ বিপৰীতে কম পৰিমাণৰ ঋণ লাভ কৰাৰ যোগ্যতা আহৰণ কৰে। এই পদ্ধতিৰে কল্পনাপ্রসূত কাম- কাজৰ স্তৰ আৰু দ্রব্য তথা সেৱাৰ বর্দ্ধিত মূল্য পৰীক্ষা কৰি থাকিব পৰা যায়। আনহাতে, মন্দাৱস্থাৰ সময়ত কেন্দ্রীয় বেংকে কিছুমান বিশেষ ঋণৰ ক্ষেত্রত প্রান্তীয় প্রয়োজনীয়তা কম কৰে। ই বিনিয়োগক উৎসাহিত কৰাৰ লগতে আয় আৰু মূল্য স্তৰ বৃদ্ধি কৰে।

- **উপভোক্তা ঋণৰ নিয়ন্ত্রণ (Regulation of Consumer Credit) ঃ** নির্বাচিত ঋণ নিয়ন্ত্রণ আহিলাবিধক পণ্যদ্রব্য আৰু ঘৰুৱা কামত ব্যৱহৃত যন্ত্র-পাতি কিনা কার্য নিয়ন্ত্রণ কৰাত ব্যৱহাৰ কৰা হয়। উপভোক্তাক প্রয়োজনীয় সামগ্রী কিনিবলৈ ঋণ আগবঢ়োৱাৰ সময়ত সামগ্রীবিধৰ বজাৰ মূল্যৰ এক নির্দিষ্ট শতাংশ গ্রাহকে নিজে নগদ ধন হিচাপে পৰিশোধ কৰে। ইয়াক 'ডাউন পে'মেণ্ট' বোলা হয়। বাকীখিনি মূল্য বেংক ঋণৰ জৰিয়তে পৰিশোধ কৰা হয়। উপভোক্তাই এক নির্দিষ্ট সময়ৰ ভিতৰত নির্দিষ্ট পৰিমাণত বেংকক এই ঋণ পৰিশোধ কৰিব লাগে। কেন্দ্রীয় বেংকে 'ডাউন পে'মেণ্ট'ৰ পৰিমাণ অথবা ঋণ পৰিশোধ কাল সলনি কৰি পণ্যদ্রব্য ক্রয়ৰ বাবে উপভোক্তালৈ আগবঢ়োৱা এনে ঋণ নিয়ন্ত্রণ কৰিব পাৰে। মুদ্রাস্ফীতিৰ সময়ত উপভোগ্য পণ্যদ্রব্যৰ মাত্রাধিক চাহিদা নিয়ন্ত্রণ কৰাত এই পদ্ধতিয়ে উপযোগী ভূমিকা ল'ব পাৰে।
- **ঋণ সীমিতকৰণ (Credit Rationing) ঃ** ঋণ লওতাসকলৰ বিশেষ শ্রেণী কিছুমান আৰু পোনপটীয়া ভাৱে কিছুমান বিশেষ উদ্দেশ্যত ঋণ বিচৰাসকলৰ ক্ষেত্রত ঋণ নিষেধ কৰিবৰ বাবে ঋণ সীমিতকৰণ ব্যৱস্থা প্রয়োগ কৰা হয়। এই আহিলাবিধৰ সহায়ত কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকৰ মুঠ আর্থিক দলিলপত্র (aggregate portfolios) ৰ ক্ষেত্রত সীমা বান্ধি দিয়ে। কেন্দ্রীয় বেংকে প্রতিটো আবেদনকাৰী বেংকক সর্বোচ্চ কিমান পৰিমাণৰ ঋণ দিব তাৰ সীমা বান্ধি ল'বলৈকো এই আহিলাবিধ ব্যৱহাৰ কৰে।

- **নৈতিক প্রভাৱিতকৰণ (Moral Suasion) ঃ** কেন্দ্রীয় বেংকে কেতিয়াবা ইয়াৰ সদস্য বাণিজ্যিক বেংকবোৰক দেশৰ সাধাৰণ মুদ্রা নীতিটো সফলতাৰে কার্যতৰূপায়িত কৰাৰ দিশত সহযোগিতা আৰু সহায় আগবঢ়াবৰ বাবে অনুৰোধ জনাব আৰু সৈমান কৰাবলৈ নৈতিকভাৱে প্রভাৱিত কৰাৰ কৌশলটো প্রয়োগ কৰে।

  এই আহিলাবোৰৰ উপৰি কেন্দ্রীয় বেংকে দেশৰ অর্থনীতিৰ ঋণ তথা মুদ্রা যোগানৰ প্রবাহ নির্বাচিতভাৱে নিয়ন্ত্রণ কৰিবলৈ প্রচাৰ (Publicity) আৰু আন কিছুমান প্রত্যক্ষ ক্রিয়াৰো সহায় লয়।

  এইখিনিতে এটা কথা মনত ৰাখি থোৱা ভাল যে এটা অর্থনীতিৰ মৌলিক উদ্দেশ্যবোৰ পূৰণ কৰিবলৈ মুদ্রানীতিটোৱে প্রয়োগ কৰা কোনো এবিধ আহিলাকে এশ শতাংশ ফলপ্রসূ বুলি ক'ব নোৱাৰি। এটা মুদ্রানীতিৰ কাম-কাজ ফলপ্রসূভাৱে চলাই নিবলৈ দুটা নাইবা ততোধিক মুদ্রানীতিৰ আহিলা গ্রহণ কৰিব লাগে।

১২.৬ মন্দাৱস্থা আৰু মুদ্রাস্ফীতিত মুদ্রানীতিৰ প্রভাৱ

মূল্য সুস্থিৰতা আহৰণ কৰাটোৱে পৰম্পৰাগতভাৱে দেশ এখনৰ মুদ্রা নীতিৰ প্রধান উদ্দেশ্য বুলি গণ্য কৰা হয়। কিন্তু বিগত কেইবছৰ মানৰ পৰা মুদ্রা নীতিৰ প্রধান উদ্দেশ্য হৈ পৰিছে অর্থনৈতিক বিকাশ। তথাপিও কোনো এক অর্থনীতিত উদ্ভৱ হোৱা মুদ্রাস্ফীতি আৰু মন্দাৱস্থাজনিত চাপ নিয়ন্ত্রণত আজিও মুদ্রা নীতিয়ে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে।

মুদ্রাস্ফীতিৰ সময়ত মুদ্রা নীতিৰ প্রভাৱ ঃ কোনো এক অর্থনীতিত উদ্ভৱ হোৱা মুদ্রাস্ফীতিজনিত চাপ নিয়ন্ত্রণত মুদ্রানীতি এটাই প্রধান ভূমিকা ল'ব পাৰে। মুদ্রাস্ফীতি নিয়ন্ত্রণ কৰিবলৈ কেন্দ্রীয় বেংকে নিষেধকাৰী মুদ্রা নীতি প্রয়োগ কৰিব পাৰে। ই বাণিজ্য ক্ষেত্রখনত সামগ্রী তথা সেৱাৰ মুঠ চাহিদাৰ লগতে বিনিয়োগৰ স্তৰ হ্রাস কৰিব পাৰে। ইয়াৰ বাবে কেন্দ্রীয় বেংকে মুক্ত বজাৰত চৰকাৰী প্রতিভূতি বিক্রীৰ কাম আৰম্ভ কৰি সদস্য বেংকবোৰৰ সংৰক্ষণ প্রয়োজনীয়তা বৃদ্ধি কৰে, বেংক দৰ ঊর্দ্ধমুখী কৰে আৰু নির্বাচিত ঋণ নিয়ন্ত্রণ ব্যৱস্থাৰ প্রচলন ঘটায়। ইয়াৰ উদ্দেশ্য হ'ল উপভোক্তা আৰু বাণিজ্যিক ঋণৰ পৰিমাণ হ্রাস কৰা। ই অর্থনীতি এটাক গুৰুতৰ মুদ্রাস্ফীতিজনিত চাপ সৃষ্টিকাৰী পৰিৱেশৰ পৰা বাহিৰ হোৱাত সহায় কৰে।

কিন্তু সমালোচকৰ মতে মুদ্রা নীতিয়ে মুদ্রাস্ফীতি নিয়ন্ত্রণত সিমান ফলপ্রসূ ভূমিকা ল'ব নোৱাৰে। কাৰণ এটা অর্থনীতিত বহুতো অনা-বেংক মধ্যৱর্তী বিত্তীয় অভিকৰণ থাকে। এনে অভিকৰণবোৰে বিত্তীয় বজাৰ আৰু মুদ্রা যোগানত এক নির্ণায়কৰ ভূমিকা পালন কৰে। ইয়াৰ লগতে নিষেধকাৰী মুদ্রা নীতি একোটাৰ কার্যৰূপায়ণ প্রক্রিয়াটোত কাল ব্যৱধান থাকে।

মন্দাৱস্থাৰ সময়ত মুদ্রানীতিৰ প্রভাৱ ঃ অর্থনৈতিক কার্যকলাপৰ স্তৰ অৱনমিত হোৱাটো হ'ল মন্দাৱস্থাৰ বৈশিষ্ট্য। এনে কার্যকলাপৰ ভিতৰত উপভোক্তা তথা বিনিয়োগ চাহিদাৰ স্তৰ হ্রাস পোৱাকো সামৰি লোৱা হয়। কেন্দ্রীয় বেংকে গ্রহণ কৰা সম্প্রসাৰণশীল মুদ্রা নীতি

এটাই ঋণৰ সহজলভ্যতাৰ সীমা সম্প্রসাৰিত কৰে আৰু অর্থনীতিৰ মুঠ চাহিদা উর্দ্ধগামী হোৱাত সহায় কৰে। কেন্দ্রীয় বেংকৰ এই সম্প্রসাৰণশীল মুদ্রা নীতিটোৰ অধীনত বেংকে মুক্ত বজাৰৰ পৰা চৰকাৰী ঋণপত্র (Bond) আৰু প্রতিভূতি (Securities) কিনিব পাৰে, বাণিজ্যিক বেংকবোৰৰ সংৰক্ষণ প্রয়োজনীয়তাৰ পৰিমাণ হ্রাস কৰিব পাৰে, বেংক দৰ হ্রাস কৰিব পাৰে নাইবা বিভিন্ন নির্বাচিত ঋণ নিয়ন্ত্রণ ব্যৱস্থাৰ জৰিয়তে কিছুমান বিশেষ ঋণ গ্রহণ কৰিবলৈ মানুহক উৎসাহিত কৰিব পাৰে। এই ব্যৱস্থাবোৰে ঋণৰ সহজলভ্যতা সহজ কৰি তোলাত আৰু ঋণৰ ব্যয় হ্রাস কৰাত সহায়কৰ ভূমিকা পালন কৰি অর্থনৈতিক কার্যকলাপৰ সামগ্রিক সম্প্রসাৰণ বাস্তৱ কৰি তোলে।

সাধাৰণতে বিশ্বাস কৰা হয় যে মুদ্রাস্ফীতি নিয়ন্ত্রণ কৰাতহে মুদ্রা নীতিয়ে অধিক ফলপ্রসূতা দেখুৱায়। মন্দাৱস্থাত ইয়াৰ ভূমিকা আপেক্ষিকভাৱে সীমিত। ১৯৩০ ৰ দশকত হোৱা 'গুৰুতৰ মন্দাৱস্থা' (The Great Depression) ৰ অধ্যয়ণৰ ভেটিত এই কাৰণ দর্শোৱা হয়। জে. এম. কেইন্সেও তেওঁৰ কিতাপ 'The General Theory of Employment, interest and Money' ত কথাটো উল্লেখ কৰিছে। কোনো অর্থনীতিত উদ্ভৱ হোৱা গুৰুতৰ মন্দাৱস্থাৰ ফলত মাত্রাধিক হতাশাবাদে ব্যৱসায়ীসকলক কাবু কৰিলে কেন্দ্রীয় বেংকে ঋণৰ সম্প্রসাৰণ ঘটাই দেশৰ অর্থনীতি পুনৰুজ্জীৱিত কৰি তুলিব পৰা নীতি গ্রহণ কৰে। একে সময়তে ই উপভোক্তাৰ চাহিদা বৃদ্ধি কৰাতো অসফল হয়। কাৰণ এই সময়ছোৱাত উপভোক্তাসকল সর্বগ্রাসী কর্মসংস্থাপনহীনতাৰ বলি হয়, উপার্জন কমি যায় আৰু বেংকৰ পৰা ঋণ লৈ পণ্যদ্রব্য কিনিবলৈ আগবাঢ়ি নাহে। মুদ্রা নীতি প্রস্তুতকাৰীসকলে অৱশ্যে এই দৃষ্টিভংগীক সমর্থন নকৰে। তেওঁলোকৰ মতে মুদ্রানীতিবোৰ মুদ্রাস্ফীতি আৰু মন্দাৱস্থা দুয়ো ধৰণৰ পৰিস্থিতিতেই সমানে ফলপ্রসূ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৭ ঃ মুদ্রা নীতিৰ মৌলিক আহিলাবোৰ কি কি (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ৮ ঃ মুদ্রা নীতিৰ এক আহিলাৰূপে বেংক দৰৰ বিষয়ে ব্যাখ্যা কৰক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন ৯ ঃ কেন্দ্রীয় বেংকে গ্রহণ কৰা নির্বাচিত ঋণ নিয়ন্ত্রণ ব্যৱস্থা বুলিলে কি বুজায়? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পূৰ্ব নিৰ্দ্ধাৰিত উদ্দেশ্যত উপনীত হ'বলৈ চৰকাৰৰ সাধাৰণ অৰ্থনৈতিক নীতিবোৰৰ কাৰ্য ৰূপায়ণৰ বাবে মুদ্রা আৰু ঋণ ব্যৱস্থাপনাৰ সৈতে জড়িত নীতিবোৰক মুদ্রা নীতি বোলে। এখন দেশৰ কেন্দ্ৰীয় বেংক এটাই মুদ্রাৰ পৰিমাণ, সূতৰ হাৰৰ স্তৰ আৰু মুদ্রা তথা ঋণৰ ব্যৱহাৰ প্ৰভাৱিত কৰিবলৈ লোৱা ব্যৱস্থাবোৰকে মুদ্রানীতি বোলা হয়।
- মুদ্রা নীতিৰ মৌলিক উদ্দেশ্যবোৰ হ'ল মূল্য সুস্থিৰতা আৰু বিনিময় সুস্থিৰতা আহৰণ কৰা; মুদ্রাৰ নিৰপেক্ষতা বৰ্তাই ৰখা; সম্পূৰ্ণ নিয়োগ আৰু অৰ্থনৈতিক বিকাশৰ লক্ষ্যত উপনীত হোৱা তথা পৰিশোধ ভাৰসাম্যৰ সমতা বৰ্তাই ৰখা।
- এটা মুদ্রানীতি সফল কৰি তুলিবলৈ বিত্তীয় কৰ্তৃপক্ষই কিছুমান লক্ষ্য বান্ধি লয়। লক্ষ্য চলকবোৰক মধ্যৱৰ্তী লক্ষ্য আৰু কাৰ্যসম্পাদন লক্ষ্যৰ শিতানত শ্ৰেণীবিভক্ত কৰা হয়।
- মুদ্রানীতিৰ সবাতোকৈ গুৰুত্বপূৰ্ণ লক্ষ্য চলককেইটা হ'ল মুদ্রা যোগান, বেংক ঋণ আৰু সূতৰ হাৰ।
- সম্পাদনসাধ্যতা, পৰিমাপনসাধ্যতা, ঘনিষ্ঠতা অথবা সম্বন্ধশীলতা আদি হ'ল এটা ভাল বিত্তীয় লক্ষ্যৰ মৌলিক বৈশিষ্ট্য।
- মুদ্রা নীতিৰ আহিলাবোৰ হ'ল বেংক দৰ, তাৰতম্যপূৰ্ণ সংৰক্ষণ অনুপাত, মুক্ত বজাৰ অভিযান আৰু নিৰ্বাচিত ঋণ নিয়ন্ত্ৰণ।
- বেংক দৰ হ'ল কেন্দ্ৰীয় বেংকে দিয়া ঋণৰ ন্যূনতম সূতৰ হাৰ। এই হাৰত কেন্দ্ৰীয় বেংকে ইয়াৰ অধীনস্থ বাণিজ্যিক বেংকবোৰৰ হাতত থকা প্ৰথম শ্ৰেণীৰ বিনিময় বিল আৰু চৰকাৰী প্ৰতিভূতিবোৰৰ পুনৰ ৰেহাই ঘোষণা কৰে।
- মুক্ত বজাৰ অভিযান মানে হ'ল কেন্দ্ৰীয় বেংকে মুকলি বজাৰত চৰকাৰী প্ৰতিভূতি কিনা-বেচা কৰা কাৰ্য।
- নগদ ধন সংৰক্ষণ অনুপাত মানে হ'ল বাণিজ্যিক বেংকবোৰে কেন্দ্ৰীয় বেংকৰ হাতত জমা ৰখা সংৰক্ষিত পুঁজিত থকা জমাধনৰ শতাংশ।
- নিৰ্বাচিত ঋণ নিয়ন্ত্ৰণ হ'ল কেন্দ্ৰীয় বেংকে ব্যৱহাৰ কৰা বিশেষ ধৰণৰ মুদ্রানীতি আহিলা। অপ্ৰত্যাশিত ঋণ নিয়ন্ত্ৰণ কৰিবলৈ আৰু অৰ্থনীতিৰ উপযুক্ত খণ্ডলৈ ঋণৰ প্ৰত্যক্ষ প্ৰবাহ সুনিশ্চিত কৰিবলৈ এনে ব্যৱস্থা লোৱা হয়।
- মন্দাৱস্থাৰ সময়ত সম্প্ৰসাৰণশীল মুদ্রা নীতিয়ে ঋণ বজাৰখন সম্প্ৰসাৰিত কৰাৰ চেষ্টা

কৰে। ফলত মুঠ চাহিদা উৰ্দ্ধমুখী হয়।

- মুদ্রাস্ফীতিৰ সময়ত এটা নিষেধকাৰী মুদ্রা নীতিয়ে মুদ্রা যোগান আৰু ঋণ নিয়ন্ত্রণৰ জৰিয়তে মুঠ চাহিদাৰ মাত্রা হ্রাস কৰিব পাৰে।



১২.৮ অধিক জানিবৰ বাবে

ইংৰাজী গ্রন্থ ঃ

১। Paul, R.R. (2008). *Monetary Economics*. Ludhiana: Kalyani Publisher.

২। Rana, K.C. and Verma, K.N. (1976). *Macroeconomics Analysis*. Jalandhar : Vishal Publishing Co.

১২.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ মুদ্রাৰ পৰিমাণ, সুদৰ হাৰৰ স্তৰ আৰু মুদ্রা তথা ঋণৰ ব্যৱহাৰক প্রভাৱিত কৰিবলৈ কোনো এখন দেশৰ কেন্দ্রীয় বেংক এটাই গ্রহণ কৰা নীতিবোৰকে মুদ্রা নীতি বোলে। অর্থনৈতিক নীতিৰ মৌলিক উদ্দেশ্যবোৰক বাস্তৱ ৰূপ দিবলৈ মুদ্রা নীতিয়ে বিভিন্ন মুদ্রাভিত্তিক আহিলা, যেনে- বেংক হাৰ, মুক্ত বজাৰ কার্যকলাপ, তাৰতম্যপূর্ণ মজুত ধন প্রয়োজনীয়তা আৰু গুণগত ঋণ নিয়ন্ত্রণ আদিক উদ্দেশ্যপ্রণোদিতভাৱে পৰিৱর্তন কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ মুদ্রা নীতিৰ মৌলিক উদ্দেশ্যবোৰ হ'ল-

- মূল্য সুস্থিৰতা আহৰণ কৰা
- বিনিময় সুস্থিৰতা বর্তাই ৰখা
- মুদ্রাৰ নিৰপেক্ষ স্থিতি অক্ষুণ্ণ ৰখা
- অর্থনৈতিক বিকাশ সুনিশ্চিত কৰা আৰু
- পৰিশোধ ভাৰসাম্যৰ সমতা আহৰণ কৰা।

৩ নং প্রশ্নৰ উত্তৰ ঃ বর্তমান অর্থনৈতিক বিকাশক মুদ্রানীতিৰ, বিশেষকৈ অনুন্নত দেশবোৰৰ মুদ্রানীতিৰ প্রধান উদ্দেশ্য বুলি গণ্য কৰা হয়। অনুন্নত/অনগ্রসৰ দেশবোৰৰ এটা প্রধান সমস্যা হ'ল বিপুল পৰিমাণৰ প্রাকৃতিক তথা মানৱ সম্পদ অব্যৱহৃত হৈ ৰোৱাৰ বাবে সৃষ্টি হোৱা মূলধন নাটনি। এনে অৱস্থাত সম্প্রসাৰণশীল মুদ্রানীতিয়ে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে। ই প্রয়োজনীয় পুঁজিৰ যোগান ধৰি অব্যৱহৃত সম্পদবোৰৰ উত্তম ব্যৱহাৰ আৰু অর্থনৈতিক বিকাশৰ গতি তৰান্বিত কৰিব পাৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ মুদ্রা নীতিৰ লক্ষ্যবোৰ হ'ল কিছুমান হ্রস্ব ম্যাদী আৰু মধ্যম ম্যাদী 'বদলি চলক'। এনে চলকবোৰক মুদ্রানীতিৰ চূড়ান্ত লক্ষ্য চলকবোৰত উপনীত হোৱাত ব্যৱহাৰ কৰা হয়। মুদ্রানীতিৰ তিনিটা সবাতোকৈ গুৰুত্বপূর্ণ লক্ষ্য চলক হ'ল মুদ্রা যোগান,

বেংক ঋণ আৰু সূতৰ হাৰ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ মুদ্রা নীতিৰ এক ভাল উদ্দেশ্যই কেইটামান মৌলিক চর্ত পূৰণ কৰিব লাগে। চর্তকেইটা হ'ল- সম্পাদনসাধ্যতা, পৰিমাপনসাধ্যতা আৰু লক্ষ্য চলকৰ সৈতে ঘনিষ্টতা অথবা সম্বন্ধশীলতা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ মুদ্রানীতিৰ লক্ষ্যবোৰক মধ্যৱর্তী লক্ষ্য আৰু কার্যসম্পাদন লক্ষ্য এই দুটা শ্রেণীত ভগোৱা হয়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ মুদ্রা নীতিৰ মৌলিক আহিলাবোৰ হ'ল বেংক দৰ, তাৰতম্যপূর্ণ মজুত ধনৰ অনুপাত, মুক্ত বজাৰ অভিযান আৰু নির্বাচিত ঋণ নিয়ন্ত্রণ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ বেংক দৰ হ'ল কেন্দ্রীয় বেংকৰ সূতৰ ন্যুনতম ঋণ দৰ। এই দৰত কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকবোৰৰ হাতত থকা প্রথম শ্রেণীৰ বিনিময় বিল আৰু চৰকাৰী প্রতিভূতিবোৰৰ পুনৰ-ৰেহাই ঘোষণা কৰে। বেংক দৰৰ জৰিয়তে কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকলৈ আগবঢ়োৱা ঋণৰ ব্যয় তথা সহজলভ্যতা নিয়ন্ত্রণ কৰে।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ নির্বাচিত ঋণ নিয়ন্ত্রণ হ'ল বিশেষ ধৰণৰ মুদ্রা নীতি আহিলা। কেন্দ্রীয় বেংকে প্রধানতঃ অনাকাংক্ষিক ঋণ নিয়ন্ত্রণ তথা অর্থনীতিৰ উপযুক্ত ক্ষেত্রবোৰলৈ ঋণৰ প্রত্যক্ষ প্রবাহ সুনিশ্চিত কৰিবলৈ এই আহিলাবিধ প্রয়োগ কৰে। প্রান্তীয় প্রয়োজনীয়তা, উপভোক্তা ঋণৰ নিয়ন্ত্রণ, ঋণ সীমিতকৰণ আৰু নৈতিক প্রভাৱিতকৰণ হ'ল- নির্বাচিত ঋণ নিয়ন্ত্রণৰ বিভিন্ন আহিলা।



১২.১০ আৰ্হি প্রশ্ন

চুটি প্রশ্ন (১৫০ টা মান শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক)

প্রশ্ন ১ ঃ তাৰতম্যপূর্ণ মজুত ধনৰ অনুপাতৰ ধাৰণাটো চমুকৈ আলোচনা কৰক।

প্রশ্ন ২ ঃ এটা ভাল মুদ্রানীতি লক্ষ্যই পূৰণ কৰিবলগীয়া চর্তকেইটা আলোচনা কৰক।

প্রশ্ন ৩ ঃ মুক্ত বজাৰ অভিযান বুলিলে কি বুজায়?

প্রশ্ন ৪ ঃ এটা অর্থনীতিত মুদ্রানীতিৰ গুৰুত্ব কি সেয়া বর্ণনা কৰক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা মান শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক)

প্রশ্ন ১ ঃ মুদ্রাস্ফীতি আৰু মন্দাৱস্থাত মুদ্রানীতিৰ প্রভাৱ আলোচনা কৰক।

প্রশ্ন ২ ঃ নির্বাচিত ঋণ নিয়ন্ত্রণ কি? নির্বাচিত ঋণ নিয়ন্ত্রণৰ পদ্ধতিবোৰ ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ মুদ্রা নীতিৰ উদ্দেশ্যবোৰ আলোচনা কৰক।

প্রশ্ন ৪ ঃ এটা অর্থনীতিত মুদ্রানীতিৰ লক্ষ্যবোৰ কি সেয়া ব্যাখ্যা কৰক।

** ***** **